# প্ৰধানমন্ত্ৰীয়ে ৰাছিয়াৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় বঁটা গ্ৰহণ কৰে

09 জুলাই, 2024

ক্ৰেমলিনৰ ছেইণ্ট এণ্ড্ৰিউ হলত এক বিশেষ অনুষ্ঠানত ৰাছিয়াৰ ৰাষ্ট্ৰপতি শ্ৰী ভ্লাডিমিৰ পুটিনে প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীক ভাৰত-ৰাছিয়াৰ সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ৰাছিয়াৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় বঁটা "অৰ্ডাৰ অৱ ছেইণ্ট এণ্ড্ৰিউ দ্য এপ'ষ্টল" প্ৰদান কৰে। 2019 চনত এই বঁটা ঘোষণা কৰা হয়।

2. বঁটাটো গ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে এই বঁটাটো ভাৰত আৰু ৰাছিয়াৰ জনসাধাৰণৰ প্ৰতি উৎসৰ্গা কৰে। তেওঁ লগতে কয় যে এই স্বীকৃতিয়ে দুয়োখন দেশৰ মাজত থকা বিশেষ আৰু বিশেষাধিকাৰপ্ৰাপ্ত কৌশলগত অংশীদাৰিত্বক আলোকপাত কৰে।

3. এই বঁটাটো 300 বছৰৰ আগতে প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী হৈছে এই বঁটা লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় নেতা।

**মস্কো**
**09 জুলাই, 2024**